**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
——————————————

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা অষ্টমী। আজি দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা আধ্যাত্মিকতা ৰক্ষা কৰি দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। উগ্ৰতাৰা দেৱালয়ত কালি দুৰ্গা পূজাৰ সপ্তমীত ভক্তসকলে দেৱীৰ আশীষ গ্ৰহণ কৰে। জনগণৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিকৃতিত দেৱালয়ৰ দলৈ নলিনী শৰ্মাই বন্তি প্ৰজ্বলন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী মহানগৰীৰ কেইবাখনো পূজা মণ্ডপত দেৱীৰ আশীষ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি মহানগৰীৰ কেইবাখনো পূজা মণ্ডপত সেৱা লয়।

oooooo

ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ ঘটনাৰ তদন্তৰ পৰিপ্ৰেক্ষিতত ছিংগাপুৰৰ সৈতে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান জনাবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ক আনুষ্ঠানিকভাৱে আবেদন জনাইছে। এই আহ্বানৰ পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়, যে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ সন্ধান অসম আৰক্ষীয়ে লাভ কৰিছে। অহা ২-৩ দিনৰ ভিতৰত অভিযুক্ত শ্যামকানু মহন্ত গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিৎ সিঙে সাংবাদিকৰ আগত কয় যে এই ঘটনাৰ অনুসন্ধানৰ বাবে এছ আই টিয়ে ইতিমধ্যে ভালেমান তথ্য লাভ কৰিছে যদিও এতিয়াই তথ্যসমূহ ৰাজহুৱা কৰিব পৰা নাযায়। তেওঁ এই তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অসম আৰক্ষীৰ ওপৰত আস্থা ৰাখিবলৈ জনসাধাৰণক আহ্বান জনোৱাৰ লগতে উৰা বাতৰিত পতিয়ন যোৱা আৰু ভ্ৰান্ত তথ্য প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ সকলোকে আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙৰ এই মন্তব্যৰ পিছতে অভিযুক্ত শ্যামকানু মহন্তই আত্মসমৰ্পনৰ বাবে সাজু হোৱাৰ কথা জানিব পৰা গৈছে। সামাজিক মাধ্যম ফেচবুকৰ এটা পোষ্টত তেওঁ কয় যে শীঘ্ৰে তেওঁ অসমলৈ আহি আছে। আৰক্ষীৰ সৈতে ইতিমধ্যে যোগাযোগ কৰাৰ কথাও তেওঁ পোষ্টটোত উল্লেখ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শনৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত জুবিন গাৰ্গৰ বিয়োগে অসমত অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে এয়া শিল্পীগৰাকীৰ পৰিয়ালৰ বাবে কেৱল নহয়, বৰং সমগ্ৰ ৰাজ্য আৰু দেশৰ বাবে বৃহৎ ক্ষতি।

বাইট

ইপিনে, শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে এজাহাৰ দাখিল কৰাৰ পাছত কালি জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে এই বিষয়ে সংবাদ মাধ্যমৰ আগত কয়, যে তেওঁ ন্যায় বিচাৰে আৰু তদন্ত প্ৰক্ৰিয়াৰ ওপৰত আস্থা ৰাখিছে। ছিংগাপুৰৰ ৰহস্যজনক দ্বীপটোলৈ জুবিন গাৰ্গক কিয় লৈ যোৱা হৈছিল আৰু কি পৰিস্থিতিত এই ঘটনা

ঘটিবলৈ পালে এই প্ৰশ্নসমূহৰ উত্তৰ তেওঁ পোৱা উচিত বুলিও শ্ৰীমতী গাৰ্গে মন্তব্য কৰে। শিল্পীগৰাকীৰ মৃত্যুৰ তদন্তৰ বাবে গঠন কৰা এছ্ আই টিয়ে কালি বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামী, আৰু কণ্ঠ শিল্পী অমৃতপ্ৰভা মহন্তক পুনৰ জেৰা কৰে।

ইপিনে শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে কালি তেওঁৰ কাহিলীপাৰাস্থিত বাসগৃহত মাংগলিক অনুষ্ঠানৰ লগতে বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সোণাপুৰৰ কমাৰকুছিত শিল্পীগৰাকীৰ শেষকৃত্যথলীত কালি সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত হয়। কাইলৈ যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০

প্ৰিয় শিল্পী জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যবাসী ম্ৰিয়মান হৈ থকাৰ বাবে এইবেলি  পূজাৰ উৎসাহ-উদ্দীপনা ম্লান পৰিছে। ডিব্ৰুগড় জিলাত পূজাসমূহ যথাবিহীত নিয়মেৰে অনুষ্ঠিত হ'লেও প্ৰতিখন পূজা মণ্ডপতে প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। সমিতিসমূহে পূজা মণ্ডপসমূহ বিভিন্ন আৰ্হিত আটক ধুনীয়াকৈ নিৰ্মাণ কৰে যদিও জনসাধাৰণৰ উপস্থিতি সেৰেঙা দেখা গৈছে। ডিব্ৰুগড়ৰ শান্তিপাৰা বাঁহবাৰী বৰুৱা পথাৰ দুৰ্গাপূজাত অসমৰ সাতামপুৰুষীয়া কৃষ্টি-সংস্কৃতি প্ৰতিফলিত কৰি মণ্ডপ নিৰ্মাণ কৰাৰ লগতে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ গীতসমূহ বজাই ৰখা হৈছে। জিলাখনৰ কেইবাখনো পূজাস্থলীত আয়োজকসকলে সকলো ধৰণৰ জাকজমকতা পৰিহাৰ কৰিছে।

০০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ লগতে চাবুৱাৰ শংকৰ সংঘৰ গুৰুজ্যোতি প্ৰাথমিক শাখাৰ উদ্যোগত কালি নিৰ্মল আঞ্চলিক শাখাৰ ৩২ সংখ্যক শিশু, আই মাতৃ আৰু যুৱ সমাৰোহৰ লগতে গুৰুজ্যোতি প্ৰাথমিক শাখাৰ সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হয়। গুৰুজ্যোতি প্ৰাথমিক শাখা নামঘৰ প্ৰাংগণত অনুষ্ঠিত এই অনুষ্ঠানত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকন বৰুৱা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় দৰ্শন আৰু তেওঁৰ সৃষ্টিৰ অনুপম সম্ভাৰে অসমীয়া মানুহক কিদৰে একতাৰ ধৰ্মীয় দোলেৰে বান্ধি ৰাখিছে আৰু অসমীয়া হিচাপে পৰিচয় দিছে, সেই বিষয়ে বিধায়ক বৰুৱাই নিজৰ ভাষণত উল্লেখ কৰে। সোণালী জয়ন্তী বৰ্ষ উপলক্ষে এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হয়।

০০০০০০

সমাপ্ত